Krishna Kanta Handiqui State Open University
MA 3rd Sem. Examination, 2015
বিষয় ঃ অসমীয়া
পাশ্চাত্য সাহিত্যৰ নির্বাচিত পাঠ

সময় ঃ ৩ ঘণ্টা মুঠ নম্বৰ ঃ ৮০

১। তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক— ২×৫ = ১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'Lyrical Ballads'ৰ চমু পৰিচয় আগবঢ়াওক।
(খ) কবি কীট্চৰ গ্ৰীক প্ৰীতিৰ বিষয়ে আপোনাৰ ধাৰণা আগবঢ়াওক।
(গ) ৰবাৰ্ট ব্ৰাউনিঙৰ 'দ্য লেবৰেটৰী' কবিতাটোৰ বিষয়বস্তু কি?
(ঘ) টি এছ এলিয়টৰ কাব্যকৃতিসমূহৰ চমু পৰিচয় দিয়ক।
(ঙ) এলবাৰ্ট ক্যেমুৰ উপন্যাসৰ কেইটামান সাধাৰণ বৈশিষ্ট্য উল্লেখ কৰক।
(চ) আৰ্ণেষ্ট হেমিংৱেৰ চমু জীৱন পৰিচয় আগবঢ়াওক।

২। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক— ৪×৩ = ১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'দ্য আউটছাইডাৰ' উপন্যাসৰ কাহিনীভাগ নিজৰ ভাষাত লিখক।
(খ) 'দ্য অ'ল্ড মেন এণ্ড দ্য চী' উপন্যাসখনৰ বিষয়বস্তু সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।
(ঘ) হেন্ৰিক ইব্চেনৰ জীৱনৰ বিষয়ে চমু টোকা প্ৰস্তুত কৰক।
(ঘ) এবছার্দ নাটক হিচাপে 'ৱেটিং ফৰ গ'ডো'ৰ চমু আলোচনা আগবঢ়াওক।

৩। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক— ৬×৩ = ১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) কি কাৰণে 'Tintern Abbey'ক কবি উইলিয়াম ৱৰ্ডচৰ্থৰ জীৱনৰ অন্যতম শ্ৰেষ্ঠ কাব্যকৃতি বুলি কোৱা হয়? আলোচনা কৰক।
(খ) 'অ'ড অন এ গ্ৰেচিয়ান আৰ্ণ' কবিতাটোৰ ৰচনাশৈলীৰ বিষয়ে চমুকৈ লিখক।
(গ) কবি হিচাপে ৰবাৰ্ট ব্ৰাউনিঙৰ মূল্যায়ন আগবঢ়াওক।

(ঘ) টি এছ এলিয়টৰ কবিতাৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি? চমু আলোচনা আগবঢ়াওক।

৪। তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক— ১০×৪ = ৪০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'দ্য লাভ চং অফ জে এলফ্ৰেড প্ৰুফ্ৰক্'ৰ বিষয়ে এটি আলোচনা যুগুত কৰক। কবিতাটোত আধুনিক মানৰ জীৱনৰ প্ৰতিচ্ছবি কি দৰে ফুটি উঠিছে?
(খ) 'দ্য আউটছাইডাৰ'ৰ কাহিনীভাগ লিখি তাৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰক।
(গ) 'দ্য অ'ল্ড মেন এণ্ড দ্য চী' উপন্যাসখনৰ গঠন ৰীতি আৰু ইয়াত ব্যৱহৃত প্ৰতীক সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।
(ঘ) বাস্তৱবাদী নাটক বুলিলে কি বুজে? 'পিলাৰ্ছ অফ ছচাইটি'ক এই শ্ৰেণীৰ নাটকত পেলাব পাৰিনে? যুক্তিৰে বুজাই লিখক।
(ঙ) 'ৱেটিং ফৰ গ'ডো' নাটকখন কি শ্ৰেণীৰ নাটক? ইয়াৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি?

Krishna Kanta Handiqui State Open University

MA 3rd Sem. Examination, 2015

বিষয় ঃ অসমীয়া

পালি-প্রাকৃত-অপভ্রংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ

সময় ঃ ৩ ঘণ্টা মুঠ নম্বৰ ঃ ৮০

১। তলৰ যিকোনো *পাঁচটাৰ* অতি চমু উত্তৰ লিখক— ২×৫ = ১০
(প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) মধ্য ভাৰতীয় আর্য ভাষাৰ সাহিত্যিক প্রাকৃত স্তৰৰ সাহিত্যিক নিদর্শনসমূহ উল্লেখ কৰক।

(খ) 'গাহাসত্তসঈ'ৰ ৰচনা কালৰ আভাস দাঙি ধৰক।

(গ) 'কীর্ত্তিলতা' কাব্যৰ কবিগৰাকীৰ পৰিচয় দাঙি ধৰক।

(ঘ) 'পালি' নামটোৰ তাৎপর্য ব্যাখ্যা কৰক।

(ঙ) উপযুক্ত উদাহৰণসহ সংস্কৃতৰ স্বৰমধ্যৱর্ত্তী মহাপ্রাণ ধ্বনিকেইটাৰ প্রাকৃত ভাষালৈ হোৱা পৰিৱর্ত্তনৰ বিষয়ে উল্লেখ কৰক।

(চ) সংস্কৃত ভাষাৰ লিঙ্গ-নির্ণয় প্রক্রিয়াক কিয় ব্যাকৰণগত আখ্যা দিয়া হয়, ব্যাখ্যা কৰক।

২। তলৰ যিকোনো তিনিছোৱা সৰল অসমীয়ালৈ অনুবাদ কৰক আৰু লগতে তলত আঁচটনা যিকোনো তিনিটা শব্দৰ সংস্কৃত ৰূপ আৰু অসমীয়া অর্থ লিখক। ৪×৩ = ১২

(ক) যে অজ য়দা অয়ং ধংম লিপী লিখিতা, তী এৱ প্রাণা আৰভৰে সুপাথায় দ্বো মোৰা, একো মগো, যো পি মগো ন ধ্রুৱো। এতে পি ত্রী প্রাণ পছা ন আৰভিসৰে।

(খ) বাৰিজো'ৱ থলে খিত্তো ওকমোকতো উব্ভতো।
পৰিফন্দতি' দং চিত্তং মাৰধ্যেয়ং পহাতৱে।

(গ) নাগৰক ঃ (অঙ্গুৰীয়কম্ আঘ্রায়) জানুঅ, মচ্ছোদৰসংঠিদংতি
ণথি সংদেহো। তধা অঅং বিস্সগন্ধো। আগমো দাণিং এদশ্শ বিমৰিশিদব্বো। তা এধ ৰাঅউলং জেৱ গচ্ছম্হ।

(ঘ) তং জং মেহল ঠৱই গংঠি নিট্ঠুৰ সুহয়, তুডিয় তাৱ থুলাৱলি নৱসৰহাৰলয়।

৩। তলৰ যিকোনো *তিনিটা* প্রশ্নৰ উত্তৰ লিখক— ৬×৩ = ১৮
(প্রতিটো প্রশ্নৰ উত্তৰ ৩০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'গাহাসত্তসঈ' কবিতাসংকলনৰ বিষয়বস্তু আৰু কাব্যিক-সৌন্দর্য সম্পর্কে আলোচনা কৰক।

(খ) 'প্রাকৃত' শব্দটোৰ তাৎপর্য বিচাৰ কৰি 'মাগধী প্রাকৃতৰ ভাষাগত বৈশিষ্ট্য আৰু প্রয়োগ উদাহৰণসহ বিশ্লেষণ কৰক।

(গ) সংস্কৃতৰ সংযুক্ত ব্যঞ্জনৰ পালি-প্রাকৃত-অপভ্রংশত হোৱা পৰিৱর্তনৰ বিষয়ে আলোচনা কৰক।

(ঘ) সংস্কৃতৰ শব্দৰূপৰ বৈচিত্র্য পালি-প্রাকৃত-অপভ্রংশত কেনেদৰে পৰিৱর্তিত হৈছে, উদাহৰণসহ বিশ্লেষণ কৰক।

৪। তলৰ যিকোনো *চাৰিটা* প্রশ্নৰ উত্তৰ লিখক— ১০×৪ = ৪০
(প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) অশোকৰ অনুশাসনৰ শ্রেণী-বিভাজন আৰু এইবোৰৰ বিষয়বস্তু সম্পর্কে এটি আলোচনা যুগুত কৰক।

(খ) 'সন্দেশ ৰাসক' কাব্যৰ নামকৰণ আৰু গঠন ৰীতি সম্পর্কে আলোচনা কৰক।

(গ) পালি ভাষাত ৰচিত প্রাচীনতম্ গ্রন্থখনৰ বিষয়বস্তু সম্পর্কে আলোচনা কৰি সংস্কৃত ভাষাৰ ব্যঞ্জনবর্ণ পালি ভাষাত কিদৰে পৰিৱর্তন হৈছে, বিশ্লেষণ কৰক।

(ঘ) সংস্কৃত আৰু পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ স্বৰধ্বনিসমূহৰ দুখন তালিকা প্রস্তুত কৰি দুয়ো প্রকাৰৰ ভাষাৰ স্বৰধ্বনিসমূহৰ তুলনা উদাহৰণসহ দাঙি ধৰক।

(ঙ) সংস্কৃত ভাষাৰ বচন আৰু লিঙ্গৰ বিষয়ে আলোচনা কৰি পালি-প্রাকৃত-অপভ্রংশ ভাষাত এই দুবিধ ৰূপতাত্ত্বিক প্রক্রিয়াৰ পৰিৱর্তনৰ বিষয়ে আলোচনা কৰক।